# ঃ ৰাষ্ট্ৰীয় সামাজিক সাহাৰ্য্য কাৰ্য্যক্ৰম ( এন, এছ, এ, পি ) ঃ

## ৰাষ্ট্ৰীয় বৃদ্ধকালীন পেঞ্চন আঁচনি ( এন, ও, এ, পি, এচ )

(১) (ক) **গ্ৰাম্যাঞ্চলৰ বাবে ঃ-**

**বৃদ্ধকালীন পেঞ্চন লাভৰ বাবে আবেদন পত্ৰ ঃ-**

ভাগ - ১

(১) আবেদনকাৰীৰ নাম ঃ-

(২) পিতা/স্বামীৰ নাম ঃ-

(৩) সম্পূৰ্ণ ঠিকনা ঃ-

গাওঁ ঃ-

পোঃ অঃ ঃ-

গাওঁ পঞ্চায়ত ঃ-

উন্নয়ন খণ্ড ঃ-

জিলা ঃ-

(৪) শ্ৰেণী ঃ-

(ক) সাধাৰণ/অনুসূচীত জাতি/অনুসূচীত জনজাতি (প্ৰমাণ পত্ৰ দিব )

(খ) মহিলা/ভূমিহীন/বিকলাঙ্গ

(৫) আবেদনৰ তাৰিখত বয়সঃ-

( নিকটতম চৰকাৰী হাস্পাতালৰ ডাক্তৰৰ বয়সৰ প্ৰমানপত্ৰ দিব লাগিব )

(৬) আবেদনকাৰীৰ চিনাক্তকৰণৰ বাবে শৰীৰত থকা দাগ ঃ-

(৭) আবেদনকাৰীৰ বছৰেকীয়া নিজ উপাৰ্জনৰ পৰিমাণ ঃ-

(৮)

| পৰিয়ালৰ আন সদস্যৰ নাম | বয়স | আবেদনকাৰীৰ লগত সম্বন্ধ | জীৱিকা | উপাৰ্জনশীল সদস্যৰ প্ৰত্যেকৰে বছৰেকীয়া আয়ৰ পৰিমাণ |
|---|---|---|---|---|
| ১) | | | | |
| ২) | | | | |
| ৩) | | | | |
| ৪) | | | | |
| ৫) | | | | |

Document Produced by deskPDF Unregistered :: http://www.docudesk.com

৯) আবেদনকাৰীৰ নিজ নামত আৰু পৰিয়ালৰ নামত থকা নথিভুক্ত মাটিৰ বিৱৰণ ঃ-

(ক) ৰাজহ চক্ৰৰ নাম ঃ-

(খ) মৌজাৰ নাম ঃ-

(গ) গাঁওৰ নাম ঃ-

(ঘ) পট্টাৰ নং ঃ-

(ঙ) দাগ নং ঃ-

চ) মাটি - কালি ঃ-

(১০) আবেদনত উল্লেখ কৰা ঠিকনাত বসবাস কৰা সময়সীমা ঃ-

(১১) মই ইয়াৰ আগতে বৃদ্ধকালীন পেঞ্চনৰ বাবে কোনো কৰ্তৃপক্ষৰ ওচৰত আবেদন জনোৱা নাই । ( যদি আগতে আবেদন দাখিল কৰিছিল কেতিয়া কৰিছিল আৰু কোন কৰ্তৃপক্ষৰ ওচৰত কৰিছিল উল্লেখ কৰিব )। মই স্বজ্ঞানে আৰু বিশ্বাসেৰে ওপৰোক্ত তথ্য সমূহ সত্য বুলি ঘোষণা কৰিলো ।

তাৰিখ ঃ-

আবেদনকাৰীৰ স্বাক্ষৰ / টিপচহী

## ভাগ - ২

**তদন্তকাৰী কৰ্তৃপক্ষই পূৰণ কৰিব**

(১) আবেদনত উল্লেখিত ঠিকনাত স্থায়ীভাৱে বসবাস কৰা ব্যক্তি হয়নে ?

(২) আবেদনকাৰী কোন শ্ৰেণীভুক্ত ? প্ৰমাণ পত্ৰ দিছেনে ?

(৩) পৰিয়ালৰ আন সদস্যৰ পৰা আৰ্থিক সাহায্য পায়নে ?

(৪) আবেদনকাৰীৰ নিয়মীয়া আয় অথবা আয়ৰ উৎস আছেনে ?

(ক) আবেদনকাৰীৰ বছৰেকীয়া উপাৰ্জন কিমান ?

(৫) আবেদনকাৰীৰ স্থাৱৰ / অস্থাৱৰ সম্পত্তিৰ ভিত্তিত নিঠৰুৱা বুলি বিবেচনা কৰিব পাৰিবনে ?

(৬) যদিহে আগতে আবেদন দাখিল কৰিছিল তাৰ ওপৰত লোৱা সিদ্ধান্ত কি আছিল ?

জিলা পৰিষদৰ মূখ্য কাৰ্যবাহী বিষয়া / জিলাগ্ৰামীন বিকাশ অভিকৰণৰ প্ৰকল্প সঞ্চালকৰ অনুমোদন আৰু স্বাক্ষৰ ও চীল মোহৰ ।

তদন্তক্ৰমে ওপৰোক্ত তথ্য সমূহ সন্নিবিষ্ট কৰা হ'ল ।

(১) গাঁওবুঢ়াৰ স্বাক্ষৰ আৰু চীল মোহৰ (২) গাঁও পঞ্চায়তৰ সচিবৰ স্বাক্ষৰ আৰু চীল মোহৰ

Document Produced by deskPDF Unregistered :: http://www.docudesk.com

(১) (খ) <u>নগৰাঞ্চলৰ বাবে</u> ঃ-

গ্ৰাম্যাঞ্চলৰ বাবে নিৰ্দ্ধাৰিত আবেদনৰ প্ৰ-পত্ৰ মতে নগৰাঞ্চলৰ আবেদনকাৰী সকলেও বৃদ্ধকালীন পেঞ্চন পাবলৈ আবেদন কৰিব পাৰিব আৰু আবেদনৰ ৩ নং দফাত ঘৰৰ নং /চহৰৰ নাম / পৌৰ নিকায়ৰ নাম / ৱাৰ্ড নং / উন্নয়ন খণ্ড আৰু জিলাৰ নাম উল্লেখ কৰিব । নগৰাঞ্চলৰ তদন্তকাৰী কৰ্তৃপক্ষ হ'ব ৱাৰ্ডৰ সদস্য ।

(১) (গ) <u>আবেদন পত্ৰ দাখিল কৰা স্থান আৰু পৰৱৰ্তী লবলগীয়া ব্যৱস্থা সমূহ</u> ঃ-

(i) আবেদনকাৰীয়ে আবেদনপত্ৰখন সম্পূৰ্ণ তথ্য পাতি সহ স্থানীয় গাওঁ পঞ্চায়তৰ সচিব / পঞ্চায়তৰ সচিব / স্থানীয় পৌৰ নিকায়ৰ ৱাৰ্ডৰ সদস্যৰ ওচৰত দাখিল কৰিব ।

(ii) পঞ্চায়ত সচিব গৰাকীয়ে আবেদনকাৰীৰ পৰা আবেদন পত্ৰ পোৱাৰ তাৰিখত সম্পূৰ্ণ নাম ঠিকনা সহ নথিভূক্ত কৰিব। নগৰাঞ্চলৰ ক্ষেত্ৰত পৌৰ নিকায় সমূহত ৱাৰ্ডৰ সদস্যই আবেদন দাখিল কৰাৰ পিছত নথিভূক্ত কৰাৰ ব্যৱস্থা ল'ব ।

(iii) পঞ্চায়ত সচিব গৰাকীয়ে গাওঁ সভা / স্থানীয় গাওঁ পঞ্চায়তৰ সমিতিৰ সভাত সংশ্লিষ্ট নথিসহ আবেদন পত্ৰ সমূহ বিবেচনাৰ বাবে উৎথাপন কৰিব । সভাত যোগ্য বিবেচিত হোৱা আবেদনকাৰীৰ আবেদনপত্ৰ সমূহ যোগ্যতাৰ ভিত্তিত তালিকাভূক্ত কৰি জিলা পৰিষদৰ মুখ্য-কাৰ্য্যবাহী বিষয়ালৈ প্ৰেৰণ কৰিব । যিখন জিলাত জিলা পৰিষদ গঠন হোৱা নাই আবেদনপত্ৰ সমূহ জিলা গ্ৰামীন বিকাশ অভিকৰণৰ প্ৰকল্প সঞ্চালকলৈ প্ৰেৰণ কৰিব ।

(iv) সংশ্লিষ্ট মূখ্য কাৰ্য্যবাহী বিষয়া / প্ৰকল্প সঞ্চালকে প্ৰয়োজন সাপেক্ষে নিজাববীয়াকৈ তদন্ত কৰি আবেদনপত্ৰ সমূহ তালিকাসহ অনুমোদন জনাই জিলা পৰ্য্যায়ৰ সমিতিৰ বৈঠকত ধাৰ্য্য কৰা লক্ষ্য অনুসৰি হিতাধিকাৰী নিৰ্বাচনৰ কাৰণে উৎথাপন কৰিব । নগৰাঞ্চলৰ ক্ষেত্ৰত পৌৰ নিকায়ৰ সভাপতি/কাৰ্যবাহী বিষয়াই অনুৰূপ ব্যৱস্থা ল'ব ।

## <u>হিতাধিকাৰী সকলৰ কৰ্ত্তব্য</u> ঃ-

প্ৰত্যেক বছৰে ডিচেম্বৰ মাহত গ্ৰাম্যাঞ্চলৰ হিতাধিকাৰী সকলে গাওঁবুঢ়াৰ ওচৰত সো-শৰীৰে উপস্থিত হ'ব লাগিব আৰু গাওঁবুঢ়াই হিতাধিকাৰী জন জীৱিত বুলি এখন প্ৰমানপত্ৰ দিব । উক্ত প্ৰমানপত্ৰ স্থানীয় গাওঁ পঞ্চায়তৰ সচিবৰ ওচৰত দাখিল কৰিব আৰু সচিব গৰাকীয়ে সংশ্লিষ্ট গাওঁ পঞ্চায়ত এলেকাধীন হিতাধীকাৰী সকলৰ প্ৰমানপত্ৰ সমূহ জিলা পৰিষদৰ মুখ্য কাৰ্য্যবাহী বিষয়ালৈ প্ৰেৰণ কৰিব । মূখ্য কাৰ্য্যবাহী বিষয়াগৰাকীয়ে জিলা পৰ্য্যায়ৰ মঞ্জুৰী প্ৰাধিকাৰলৈ এই প্ৰমানপত্ৰসমূহ প্ৰেৰণ কৰিব । কোনো হিতাধিকাৰীৰ মৃত্যু হলে গাওঁবুঢ়া / পঞ্চায়ত সচিবে জিলা পৰিষদৰ কাৰ্য্যবাহী বিষয়াৰ যোগে জিলা পৰ্য্যায়ৰ সমিতিক তৎপৰতাৰে অৱগত কৰাব । নগৰাঞ্চলৰ হিতাধিকাৰীসকলে পৌৰ নিকায়ৰ সভাপতিৰ ওচৰত সো-শৰীৰে উপস্থিত হ'ব লাগিব ।

Document Produced by deskPDF Unregistered :: http://www.docudesk.com

সংশ্লিষ্ট পৌৰ নিকায়ৰ সভাপতিয়ে হিতাধিকাৰীসকলৰ জীৱিত প্ৰমান পত্ৰ জিলা পৰ্য্যায়ৰ সমিতিলৈ প্ৰেৰণ কৰিব । কোনো হিতাধিকাৰীৰ মৃত্যু হ'লে ৱাৰ্ড সদস্যই সভাপতিৰ যোগে তৎপৰতাৰে জিলা পৰ্য্যায়ৰ সমিতিৰ দৃষ্টিগোচৰ কৰিব ।

(i) যিহেতুকে পূৰ্বে বৃদ্ধকালীন পেঞ্চন আঁচনিখন জিলা পৰ্য্যায়ত জিলা সমাজ কল্যান বিষয়াই কাৰ্য্যকৰী কৰি আছিল সেই হেতুকে বৰ্তমানৰ হিতাধিকাৰী সকলৰ তালিকাখন জিলা পৰ্য্যায়ত নকৈ গঠিত সমিতিখনৰ ওচৰত দাখিল কৰিব ।

(ii) জিলা পৰ্য্যায়ৰ সমিতিখনে গ্ৰাম্যাঞ্চলৰ হিতাধিকাৰী সকলৰ তালিকাখন জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া / জিলা গ্ৰামীন বিকাশ অভিকৰণৰ সঞ্চালকলৈ প্ৰেৰণ কৰিব । নগৰাঞ্চলৰ হিতাধিকাৰী সকলৰ তালিকাখন সংশ্লিষ্ট পৌৰ নিকায়ৰ সভাপতি / কাৰ্য্যবাহী বিষয়ালৈ প্ৰেৰণ কৰিব ।

(iii) মুখ্য কাৰ্যবাহী বিষয়া / প্ৰকল্প সঞ্চালক আৰু পৌৰ নিকায়ৰ সভাপতি / কাৰ্যবাহী বিষয়া সকলে নিজ নিজ এলেকাত আঁচনিখন সফলভাবে ৰূপায়নৰ চেষ্টা কৰিব ।

(iv) জিলা পৰ্য্যায়ত আঁচনি খনৰ নিৰীক্ষণ ও মূল্যায়নৰ দায়িত্ব জিলা পৰ্য্যায়ৰ সমিতিখনৰ ওপৰতে ন্যস্ত থাকিব ।

জিলা পৰ্য্যায়ৰ সমিতি সমূহে পঞ্চায়ত ও গ্ৰামোন্নয়ন সঞ্চালকালয়লৈ তলত দিয়া প্ৰতিবেদন/প্ৰমাণপত্ৰ সমূহ নিয়মিয়াকৈ দাখিল কৰাৰ ব্যৱস্থা ল'ব ।

(১) মাহেকীয়া অগ্ৰগতিৰ প্ৰতিবেদন ।

(২) হিচাব পৰীক্ষাৰ প্ৰতিবেদন ।

(৩) ব্যৱহাৰ কৰনৰ প্ৰমানপত্ৰ ।

(v) কোনো হিতাধিকাৰীৰ মৃত্যু হলে জিলা পৰ্য্যায়ৰ সমিতিয়ে সংশ্লিষ্ট এলেকাৰ আঁচনিৰ লগত জড়িত কতৃপক্ষৰ পৰা পোৱা যোগ্যতা ভিত্তিত প্ৰস্তুত কৰা হিতাধিকাৰীৰ তালিকাৰ পৰা হিতাধিকাৰী নিৰ্বাচন কৰাৰ ব্যৱস্থা ল'ব ।

(vi) বৃদ্ধকালীন পেঞ্চন আঁচনিৰ সন্দৰ্ভত ৰাজ্যিক পৰ্য্যায়ত সঞ্চালক, পঞ্চায়ত ও গ্ৰামোন্নয়ন, অসম মঞ্জুৰী প্ৰাধিকাৰী হ'ব । সঞ্চালক গৰাকীয়ে জিলা পৰ্য্যায়ৰ সমিতিসমূহলৈ মোকলাই দিয়া আঁচনিৰ ধনৰ ক্ষেত্ৰত জিলা উপায়ুক্ত সকলেই মঞ্জুৰী প্ৰাধিকাৰী হ'ব ।

..................

Document Produced by deskPDF Unregistered :: http://www.docudesk.com